# ECHO OF HIS CALL

# আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

ASSAMESE

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. Bornali Thapa Raj

VOL. XXI | YEAR OF OUR LORD JESUS CHRIST, 2020 SEPTEMBER | No: 4


## Holy Bible

*PSALMS 4:1-8*

## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক !

প্ৰভূৰ প্ৰশংসা হওঁক !

গীতমালা ৪ঃ১-৮

১। হে মোৰ ন্যায় সাধক ঈশ্বৰ, মই প্ৰাৰ্থনা কৰা কালত মোক উত্তৰ দিয়াঙ্গ ঠেকত পৰোতে তুমি মোক বহল ঠাই দিছিলা, মোক কৃপা কৰা, মোৰ প্ৰাৰ্থনা শুনা।

২। হে মনুষ্য সন্তানবিলাক, কিমান কালনো মোৰ গৌৰৱ অপমানিত হৈ থাকিব ? কিমান কালনো তোমালোকে অসাৰকে ভাল পাই মিছালৈ কাৰবাৰ কৰিবা ?

৩। কিন্তু জানিবা, যিহোৱাই নিজৰ নিমিত্তে সাধুজনক বেলেগ কৰি ৰাখিলে। মই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰা কালত তেওঁ শুনিব।

৪। তোমালোকে ভয় কৰা, পাপ নকৰিবা; তোমালোকে নিজৰ শয্যাত মনত কথা কোৱা, আৰু নিজম দি থাকা।

৫। তোমালোকে ধাৰ্মিকতাৰ বলি উৎসৰ্গ কৰা, আৰু যিহোৱাত বিশ্বাস ৰাখা।

৬। অনেক লোকে কয়, "কোনে আমাক মংগলপ্ৰাপ্ত কৰিব ? হে যিহোৱা, তোমাৰ মুখৰ দীপ্তি আমাৰ ওপৰত উদয় কৰা।

৭। যি কালত লোকবিলাকৰ শস্য আৰু দ্ৰাক্ষাৰস অধিক হয়, সেই কালৰ আনন্দতকৈয়ো তুমি মোৰ মনত অধিক আনন্দ দিয়া।

৮। মই শান্তিৰে শয়ন কৰিয়েই টোপনি যাম, কিয়নো হে যিহোৱা, অকল তুমিয়েই মোক নিৰ্ভয়ে বাস কৰাওঁতা।

# মনোনীত আৰু প্ৰত্যাহ্বান !

# CHOSEN AND THE CHALLENGE!

ভাই এইচ. লেমেখ ইনবাৰাজ

"... তেওঁৰ মনোনীত পাঁচনিবিলাকক পৱিত্ৰ আত্মাৰে আজ্ঞা দিয়াৰ পাছত, যিদিনা তেওঁক ওপৰলৈ নিয়া হৈছিল, সেই দিনলৈকে যি যি কৰ্ম কৰিবলৈ আৰু যি যি উপদেশ দিবলৈ ধৰিলে..." পাঁচনিবিলাকৰ কৰ্ম ১ঃ১,২।

১৮ তম শতিকাত ফ্ৰান্স আৰু ইংলণ্ডৰ মাজত এটা ডাঙৰ যুদ্ধ হৈছিল। ফ্ৰান্সৰ সেনা বাহিনীক চলাবলৈ মহান ৰাজবিপ্লৱ নেপলিয়ন বনাপাৰ্টক দায়িত্ব দিয়া হৈছিল। ইংৰাজ নেভিক পৰিচালনা কৰিবলৈ অতি প্ৰশংসিত অধিনায়ক নেলচনক আদেশ দিয়া হৈছিল। বৃটিছ সশস্ত্ৰ বাহিনীৰ সেনা প্ৰধানজনে ইংৰাজ নৌবাহিনীৰ প্ৰধান নেপলিয়ান বনাপাৰ্টৰ নৌ-বাহিনীৰ বিৰুদ্ধে যুদ্ধ কৰি যিকোনো মূল্যত পৰাস্ত কৰিবলৈ নিৰ্দেশ দিছিল। যুদ্ধত তেওঁ এখন ভৰি আৰু এটা চকুও নষ্ট হৈছিল। তথাপি তেওঁ নিষ্ঠুৰভাৱে যুদ্ধ কৰি গ'ল, যাৰ বাবে তেও নেপলিয়নৰ দ্বাৰাই প্ৰশংসিত হৈছিল। এইটো ইতিহাসত লিপিবদ্ধ কৰা হৈছে যে তেওঁলৈ দিয়া নিৰ্দেশৰ প্ৰতি ইমান সমৰ্পিত আছিল তাক চাই নেপলিয়ন আশ্চৰ্য হৈছিল।

নেলচনে জাগতিক কৰ্তৃপক্ষই দিয়া নিৰ্দেশৰ প্ৰতি ইমান সমৰ্পিত আছিল, তেন্তে আমাৰ ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভুৱে দিয়া মহান আজ্ঞাৰ প্ৰতি আমি কিমান যে সমৰ্পিত আৰু বিশ্বাসী হৈ থাকিব লাগে জানেনে? জাগতিক কৰ্তৃপক্ষৰ আদেশ পালন কৰাৰ ফলস্বৰূপে নেলচনে ইতিহাসত এক বিশেষ স্থান দখল কৰিব পাৰিলে। যদি আমি আমাৰ ঈশ্বৰৰ আদেশ পালন কৰিম তেন্তে তেওঁ আমাক ইতিহাসত কিমান যে সন্মান দিব পাৰে? বাইবেলত এজন বিশ্বাসী দাসক পুৰস্কাৰ দিয়াৰ কথা উল্লেখ আছেঃ "... তাৰ প্ৰভুৱে তাক ক'লে, চাবাইচ উত্তম বিশ্বাসী দাস, তুমি অলপ বিষয়তে বিশ্বাসী আছিলা, তোমাক অনেক বিষয়ৰ গৰাকী পাতিম, তুমি তোমাৰ প্ৰভুৰ আনন্দৰ ভাগী হোৱা" মথি ২৫ঃ২১।

অলপতে আমি ইষ্টাৰ পৰ্ব পালন কৰিলো। গতিকে এতিয়া আমি কিছুমান বিষয়ত ধ্যান কৰিম যি আজ্ঞাবোৰ পুনৰুত্থিত প্ৰভুৱে তেওঁৰ শিষ্যবিলাকক দিছিল। এই আজ্ঞাবোৰ কেৱল শিষ্য সকলোলৈ দিছিল এনে নহয় কিন্তু খ্ৰীষ্টৰ সকলো লোকৰ বাবে দিয়া হৈছে। যদি পৃথিৱীত ৩০০ কোটি খ্ৰীষ্টিয়ান লোক আছে, প্ৰত্যেক জনৰ বাবে এই আজ্ঞা দিয়া হৈছে। ভাৰতত (তিনি কোটি) খ্ৰীষ্টিয়ান লোকসকলক ঠিক একেদৰে এই আজ্ঞা দিয়া হৈছে। যীচুৰ এই মহান আজ্ঞাক পালন কৰক। প্ৰতিদিনে অন্তত ৩০ জন লোকক প্ৰভুৰ বাক্য দিয়ক; তেতিয়াহে সমস্ত দেশৰলোকে যীচুক প্ৰভু আৰু ত্ৰাণকৰ্তা বুলি জানিব। এতিয়া ঈশ্বৰে আমাক

৩ পৃষ্ঠাত চাওঁক

২০১৯ - সোণালী জয়ন্তী বৰ্ষ

## শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্ৰিকান (মাহেকীয়া আলোচনী)



"...ভয় নকৰিবা, কিয়নো মই তোমাক মুক্ত কৰিলোঁ, মই তোমাৰ নাম ধৰি তোমাক মাতিলো, তুমি মোৰেই" (যিচয়া ৪৩ঃ১)

খ্ৰীষ্ট যীচুত প্ৰিয় বন্ধুসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ মধুৰ নামত আমি আপোনালোকক শুভেচ্ছা জনাইছো।

যোৱা ৫০ বছৰে আমাৰ প্ৰভু যীচু খ্ৰীষ্টই যি আচৰিত ধৰণে আমাক চলাই আনিলে, তাকে ভাবি আমি আনন্দত উপচি পৰিছো। আমি তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কৰ্মীদল হিচাবে আমাৰ সকলো অংশীদাৰসকলক এই পৰিচৰ্যাৰ যোগে ঈশ্বৰৰ ৰাজ্যৰ বিস্তাৰৰ বাবে আগবঢ়োৱা সহায়ৰ বাবে আৰু তেওঁলোকৰ অব্যাহত প্ৰাৰ্থনাৰ বাবে অভিবাদন জনাইছো।

যোৱা আগষ্ট মাহৰ ৯ ৰ পৰা ১১ তাৰিখলৈকে আমাৰ সোণালী জয়ন্তীখন আমাৰ কেন্দ্ৰ মণ্ডলীত আয়োজন কৰা হৈছিল আৰু ঈশ্বৰে ইয়াত আশীৰ্বাদ কৰিলে। আমাক বিশেষ প্ৰাৰ্থনাৰে, শুভেচ্ছাৰে আৰু দান ইত্যাদিৰে উৎসাহ দিয়া সকলো বন্ধুবৰ্গলৈ আমি ধন্যবাদ জনাইছো। আমাৰ প্ৰভু যীচু খ্ৰীষ্টলৈ আমি সকলো মহিমা আৰু শ্ৰদ্ধা আগবঢ়াইছো।



এই প্ৰকাশত আমি আমাৰ গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়, চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বিষয়ে কিছুমান বাতৰিৰ প্ৰসংগত ক'ব বিচাৰিছোঁ। এই স্কুলখন চেন্নাই চহৰৰ এটা উপনগৰত চলাই থকা হৈছে আৰু প্ৰায় ৫০০ জন আৰ্থিকভাৱে নিপীড়িত ল'ৰা আৰু ছোৱালীসকলে ইয়াত অধ্যয়ন কৰি আছে। চৰকাৰী পৰীক্ষাত বহা সকলো ছাত্ৰ-ছাত্ৰীসকলে যোৱা কেইটা বছৰ ধৰি কৃতকাৰ্যতাৰে উত্তীৰ্ণ হৈ গৈ আছে।

এই স্কুলখন প্ৰায় ২২ বছৰ আগতে আৰম্ভ কৰা হৈছিল, গতিকে স্কুল ঘৰৰ বেৰবোৰ মেৰামত কৰিবলগীয়া আৰু ৰঙ দিবলগীয়া হৈছে আৰু লগতে মজিয়াৰ টাইলচ্‌খিনিকে প্ৰতিস্থাপিত কৰিবলগীয়া হৈছে। ইয়াত জলবায়ু অধিক গৰম হোৱাৰ বাবে আৰু অধিক যেন লগাবলগীয়া হৈছে। লগতে আমি আৰু অধিক অভিজ্ঞ শিক্ষকসকলক নিযুক্তি দিয়াৰ প্ৰচেষ্টা চলাই আছো। উন্নত মানৰ শিক্ষাদান দিয়াৰ লক্ষ্যত উপনীত হ'বলৈ, আমাক যথেষ্ট আৰ্থিক সহায়ৰ প্ৰয়োজন আছে। গতিকে আমি আমাৰ প্ৰিয়সকল যেনে, আপুনি আৰু আন আন লোকসকলক প্ৰাৰ্থনা কৰিবলৈ আৰু সহায় কৰিবলৈ অনুৰোধ জনাইছোঁ।

নহিমিয়া বাইবেল কলেজক ঈশ্বৰে আশীৰ্বাদ কৰিছে, বৰ্তমান আমাৰ ইয়াত ৫০ গৰাকী ছাত্ৰ-ছাত্ৰী আছে। যোৱা আগষ্ট মাহৰ ১৭ তাৰিখে আমি সকলো ছাত্ৰী-ছাত্ৰীক "মানুহৰ জীৱনত ঈশ্বৰৰ আহবান" বিষয়টিৰ ওপৰত ভিত্তি কৰি এটা চেমিনাৰ আয়োজন কৰিছিলো আৰু ২৪ তাৰিখত (আগষ্ট, ২০১৯), বাইবেল কলেজৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু আমাৰ মণ্ডলীবিলাকৰ সকলো চলাওঁতা বিলাকৰ সৈতে বাহিৰত গৈ সহভাগিতা কাৰ্যসূচী পালন কৰিলো।

আমাৰ মণ্ডলীবিলাকত ভাল ফল দেখা গৈছে। আগষ্ট ৩ আৰু ৪ তাৰিখত আমাৰ কেন্দ্ৰ মণ্ডলীত এটা বিশেষ দুদিনীয়া সভাৰ আমি আয়োজন কৰিছিলো। ইয়াত অংশ গ্ৰহণ কৰা সকলোকে ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.
**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.
**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager
**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.
**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.
**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in
**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners Village English High School Crusades 100 Prayer Warriors Community Development

আমাৰ শুভবাৰ্তা ছপাশালটোত প্ৰতি ঘণ্টাত দহ হেজাৰ কপি ছপা কৰা হয়, বিভিন্ন ভাষাত হাজাৰ হাজাৰ শুভবাৰ্তা পত্ৰিকা আমি ছপা কৰো আৰু আমাৰ মিশ্বন কেন্দ্ৰবোৰলৈ পত্ৰিকাসমূহ বিতৰণ কৰিবলৈ পঠাই দিওঁ।

এই সম্পাদকীয় অধ্যয়ন কৰাৰ বাবে ধন্যবাদ জনাওঁ। আমি নিশ্চিত যে আপুনি আমাৰ সৈতে সমস্ত সম্ভৱ উপায়ৰে যোগ দিবলৈ ঈশ্বৰে আপোনাক উৎসাহ যোগাব। আমি ঈশ্বৰত আপোনাক অতিকৈ প্ৰেম কৰো আৰু আপোনাৰ বাবে প্ৰাৰ্থনা কৰো। দয়া কৰি আমাৰ বাবে প্ৰাৰ্থনা কৰক।

ঈশ্বৰে আপোনাক উপচি পৰাকৈ আশীৰ্বাদ কৰক।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,
এচ. চাম ছেলভা ৰাজ।

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

উপলব্ধি কৰাত সহায় কৰক যে যেতিয়া যীচুৱে আমাক মহান আজ্ঞাক যোগালে তেওঁ কি বুজাই ক'ব বিচাৰে ঃ "এই হেতুকে তোমালোক যোৱা আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ আৰু পৱিত্ৰ আত্মাৰ নামেৰে তেওঁবিলাকক বাপ্তাইজ কৰা" মথি ২৮ঃ১৯।

১। আজ্ঞা কি হয়?

(ক) অৰ্থ (খ) চাৰিত্ৰিক বৈশিষ্ট্য আৰু (গ) সুযোগ

২। আজ্ঞা কিয়?

(ক) পুৰণি নিয়ম অবিকল দৃশ্য

(খ) নতুন নিয়ম অবিকল দৃশ্য

৩। সমাধান

## ১। আজ্ঞা কি হয়?

**(ক) অৰ্থ ঃ** আমাৰ সকলোৱে ভালকৈ জানে যে এটা আজ্ঞা হৈছে এটা আদেশ যাক এজন কৰ্তৃপক্ষই তেওঁৰ অধীনত থকা লোকসকলক দিয়ে। আমি ইয়াকো জানো যে এই বাক্যক প্ৰতিৰক্ষা বিভাগ বা সামৰিক ভাষাত ব্যৱহাৰ হয়। তথাপি আদেশৰ আন এটা প্ৰচলিত অৰ্থ আছে আৰু এইটো হৈছে যে ইয়াক অৱজ্ঞা কৰিব নোৱাৰি কিন্তু ইয়াক পালন কৰিবই লাগিব।

নতুন নিয়মত যীচুৱে শিষ্যবিলাকক আজ্ঞা দিয়ে (গ্ৰীক ভাষাত "এনটেইলেমেনচ্")। ইয়াৰ প্ৰকৃত অৰ্থটো নিৰ্দেশ দিয়াক বুজায়। গতিকে ঈশ্বৰৰ প্ৰত্যেক সন্তানে এটা সত্যক নিশ্চয় বুজিব লাগে। আৰু তেওঁ বিশ্বাসত আনন্দিত হ'ব লাগে কিয়নো যীচুৱে তেওঁক আজ্ঞা যোগালে। তেওঁ স্পষ্টকৈ নিৰ্দেশ যোগালে।

## (খ) এটা আজ্ঞাৰ চাৰিত্ৰিক বৈশিষ্ট্য ঃ

(১) স্বাভাৱিকতে অধীনত থকাজনক কৰ্তৃপক্ষৰ দ্বাৰাই আজ্ঞা দিয়া হয়। আদেশ বা আজ্ঞা কথোপকথন, অনুৰোধ আৰু দৰখাস্তৰ পৰা বেলেগ হয়। এইটো এটা বাধ্য হোৱাৰ কৰ্তব্য। আজ্ঞা কেতিয়াও অসম্পূৰ্ণ হ'ব নোৱাৰে। এইটো নিশ্চয় সম্পূৰ্ণ হ'ব লাগিব।

(২) **সময় ভিত্তিক ঃ** এটা নিৰ্দিষ্ট সময়ৰ বাবে আদেশ। যদি যিকোনো দিয়া কাৰ্য বা দায়িত্বক উচিত সময়ত কৰা নহয়, তেতিয়া ইয়াৰ মূল্য নাইকীয়া হয়। উদাহৰণস্বৰূপে, যদি এটা সামৰিক আক্ৰমণাত্মক কামাণ্ড এটা নিৰ্ধাৰিত সময়ত সম্পন্ন কৰা নহয়, তেন্তে শত্ৰুৱে আক্ৰমণ কৰি প্ৰতিপক্ষক শেষ কৰি দিব। গতিকে নিৰ্ধাৰিত সময়তেই কাৰ্য কৰি নিৰ্দেশক পালন কৰিব লাগে।

(৩) **কাৰ্যকেন্দ্ৰিক ঃ** সময় আৰু মানুহ জড়িত থকাৰ উপৰিও এটা নিৰ্দিষ্ট কাৰ্য সম্পন্ন কৰিবলগীয়া আছে। প্ৰত্যেক খ্ৰীষ্টিয়ান জীৱনৰ উদ্দেশ্য সাধাৰণ অস্তিত্ব নহয়। কিন্তু প্ৰচাৰ কাৰ্যৰ উদ্দেশ্যক সম্পন্ন কৰিবলৈ আমি নিজকে সাজু কৰিব লাগিব। যীচুৰ আজ্ঞাই দ্ৰুত গতিত শুভবাৰ্তা আৰু বিশ্বাসীবিলাকক বাপ্তিস্ম দিয়াৰ উদ্দেশ্যক দেখুৱাই দিয়ে।

## (গ) আজ্ঞাৰ সুযোগ

আদেশবোৰ প্ৰায় সময়ত এটা সীমালৈকেহে বন্ধা হৈ থাকে। প্ৰতিৰক্ষা প্ৰণালীত বহুত আদেশ থাকে। এটা বিশেষ কৰ্তৃপক্ষই সৈন্যৰ এটা দলক এটা বিশেষ অঞ্চলত পহৰা দিবলৈ দায়িত্ব দিয়ে।

কিন্তু আমাৰ প্ৰভু যীচুৱে আমাক দিয়া আজ্ঞাৰ শক্তি গোটেই পৃথিৱীত আছে। ইয়াৰ শক্তি দুষ্টলোকৰ ওপৰত আছে, উচ্চ স্থানবোৰত ইয়াৰ শক্তি আছে আৰু নৰকতো ইয়াৰ শক্তি আছে। যীচুৱে ক'লে, "গোটেই পৃথিৱীৰ ঠাইলৈ যোৱা"। যীচুৰ আজ্ঞাই অঞ্চল, ভাষা, সংস্কৃতি, বৰ্ণ, ৰঙ, ধৰ্ম বিশ্বাস, ইত্যাদিক অতিক্ৰম কৰে। আৰু এই আজ্ঞা সকলোৰে বাবে দিয়া হৈছে। এই আজ্ঞাৰ পৰা কোনো বাদ পৰি যাব নোৱাৰে। খ্ৰীষ্টৰ সকলো লোকসকলে এই মহান আজ্ঞাত নিজকে জড়িত কৰি ল'ব লাগে। শস্য চপোৱাৰ বাবে ভাৰত দেশখন আটাইতকৈ উত্তম হৈ আছে। মহান একাগ্ৰতাৰে ইয়াৰ মানুহবিলাক শিষ্য হ'বলৈ ই এখন ডাঙৰ দেশ হ'ব। পৃথিৱীৰ ৪০ শতাংশ ঈশ্বৰৰ বাক্য নোপোৱা লোক ইয়াত আছে। গতিকে মহান আজ্ঞা পোৱা ঈশ্বৰৰ প্ৰত্যেক সন্তানে প্ৰচাৰ কাৰ্যৰ বাবে আগবাঢ়ি আহিব লাগে।

## পুৰণি নিয়মত আজ্ঞা ঃ

ঈশ্বৰৰ দাস মোচিৰ যোগেদি ইস্ৰায়েলৰ সন্তানবিলাকক পুৰণি নিয়মৰ আজ্ঞা দিয়া হৈছিল। ইয়াক বিখ্যাতভাৱে জনাজাত দহ আজ্ঞা বা দহ আদেশ বুলি কোৱা হয়। ইয়াক ধনাত্মক আৰু ঋণাত্মক বিধানতো ভাগ কৰা হৈছে। ইয়াক পালন কৰাত অৱজ্ঞা কৰিলে এই একেটাই স্থিতিয়ে হয়তো আশীৰ্বাদ আনিব বা অভিশাপ আনিব। যাত্ৰাপুস্তক ২০ অধ্যায়ৰ আৰম্ভণী ৩ পদৰ পৰা ১৭ পদলৈকে দহ আজ্ঞাক বৰ্ণনা কৰে। এইদৰে কৈ পুনৰাবৃত্তি কৰিছে। "তোমালোকে মোকো লগ কৰি সেৱা কৰিবলৈ একো নেসাজিবা; তোমালোকৰ নিমিত্তে ৰূপৰ বা সোণৰ দেৱমূৰ্তি নেসাজিবা। তুমি মোৰ নিমিত্তে মাটিৰে এটা যজ্ঞবেদী নিৰ্মাণ কৰিবা, আৰু তাৰ ওপৰতে তোমাৰ হোম-বলি আৰু মংগলাৰ্থক বলি, তোমাৰ ভেৰা, ছাগ আৰু গৰু উৎসৰ্গ কৰিবা; যি যি ঠাইত মই মোৰ নাম সোঁৱৰণ কৰাম, সেই সকলো ঠাইতে মই তোমাৰ ওচৰলৈ আহি তোমাক আশীৰ্বাদ কৰিম।" (যাত্ৰাপুস্তক ২০ঃ২৩, ২৪)।

এইদৰে পুৰণি নিয়মৰ আজ্ঞা যাক বিধান কোৱা হয়, ইব্ৰী ভাষাত "তৰা" কোৱা হয়, এক ঈশ্বৰবাদৰ ধাৰণা স্থাপন কৰিছে। তাৰ মানে কেৱল এজন ঈশ্বৰ, গোটেই বিশ্বজগত আৰু মানৱজাতিৰ সৃষ্টিকৰ্তা। নৈতিকতা আৰু নৈতিক বিবেকৰ বিফলতাৰ বাবে মানৱ জাতিলৈ বিধানক যোগোৱা

হ'ল। বিবেকক পুনৰাবৃত্তি কৰিবলৈ আৰু উপযুক্ত সহভাগিতা ঘুৰাই আনিবলৈ ঈশ্বৰে বিধান জাৰি কৰিলে, আজ্ঞাক পালন কৰিবই লাগিব। যেতিয়া বিধানক পালন কৰা হয়, ইয়ে আশীৰ্বাদ আনে, কিন্তু যেতিয়া ইয়াক উলংঘন কৰা হয় ইয়ে সমস্যা আনে। গতিকে আমি আজ্ঞাক এক নতুন দৃষ্টিত চাব লাগিব। আজ্ঞাৰ বিস্তৃত ইয়াৰ ব্যৱহাৰিক বা ইয়াৰ অপব্যৱহাৰ ওপৰত নিৰ্ভৰ কৰে। যিকি নহওক, পুৰণি নিয়মৰ বিধানৰ বিষয়ে পৌলে এইদৰে কয়, "কিয়নো বিধানৰ কৰ্মৰ দ্বাৰাই কোনো মৰ্ত্য তেওঁৰ আগত ধাৰ্মিক বুলি গণিত নহ'ব; কাৰণ বিধানৰ দ্বাৰাই পাপৰ বিষয়ে জ্ঞান জন্মে" (ৰোমীয়া ৩ঃ২০)।

## নতুন নিয়মত আজ্ঞা ঃ

নতুন নিয়মৰ আজ্ঞা পুৰণি নিয়মৰ আজ্ঞাতকৈ একেবাৰে বেলেগ। ইয়ে পুৰণি নিয়মৰ আজ্ঞাক অস্বীকাৰ নকৰে, কিন্তু পূৰ্ণ কৰে। যীচুৱে কৈছিল, মই বিধান ধ্বংস কৰিবলৈ অহা নাই বৰং পৰিপূৰ্ণ কৰিবলৈহে আহিছো। অৰ্থাৎ সেই সময় পৰ্যন্ত বিধান পৰিপূৰ্ণ হোৱা নাছিল। যীচুৰ আবিৰ্ভাৱে অনুগ্ৰহৰ দ্বাৰাই বিধানক প্ৰতিষ্ঠাপন কৰিলে। নতুন নিয়মৰ বিধান যি অনুগ্ৰহৰ এটা সময় হয় জীৱনৰ এটা বেলেগ মানদণ্ডৰ আশা কৰে। পুৰণি নিয়মৰ আজ্ঞাক বাধ্যত পৰি, ভয় কৰি পালন কৰা হৈছিল। কিন্তু নতুন নিয়মত, এইটো বিবেচনামূলক আৰু প্ৰেমৰ ওপৰত ভিত্তি কৰাৰ প্ৰয়োজন হৈছে।

আজি যি বস্তুবোৰত খ্ৰীষ্টিয়ানবিলাকে বিহ্বল হৈছে, এইবোৰ হৈছে তেওঁলোকৰ সমস্যাবোৰ যেতিয়া তেওঁবিলাকে পৰীক্ষা আৰু তাড়ণাবোৰৰ সন্মুখীন হয়। সেই মুহূৰ্ততেই তেওঁবিলাকে নিজ ইচ্ছা শক্তিক হেৰুৱাই দিয়ে। আৰু ঈশ্বৰৰ প্ৰতিজ্ঞাক পাহৰিব ধৰে। বাইবেলে কয় ঃ "কিয়নো আমাৰ যি মহা-পুৰোহিত, তেওঁ যে আমাৰ দুৰ্বলতাত হোৱা দুখত দুখিত হ'ব নোৱাৰে, এনে নহয়; কিন্তু তেওঁ, বিনাপাপে সকলো বিষয়ত আমাৰ দৰে পৰীক্ষিত হৈছিল" ইব্ৰী ৪ঃ১৫। বিপদৰ সময়ত দায়ুদ ৰজাই এইদৰে কৈছিল, "যিহোৱা মোৰ দীপ্তি আৰু মোৰ পৰিত্ৰাণ মই কালৈ ভয় কৰিম? যিহোৱা মোৰ জীৱন ৰক্ষক কোঠ; মই কাৰ নিমিত্তে ত্ৰাসযুক্ত হ'ম"? গীতমালা ২৭ঃ১। ঈশ্বৰৰ প্ৰতিজ্ঞাৰ বিষয়ে স্মৰণ শক্তিক হেৰুৱাৰ উপচাৰ এয়ে যে মন্দত ৰখাৰ ক্ষমতাক বৃদ্ধি কৰা। মানুহে নিজ প্ৰকৃতিৰ দ্বাৰাই তেওঁ ভাল পোৱা বস্তুবোৰ আৰু ঘটনাবোৰক মনত ৰাখে। গতিকে আমি বুজিবলৈ লাগিব যে, আমি যদি সম্পূৰ্ণকৈ ঈশ্বৰক আৰু তেওঁৰ বহুমূল্য বাক্যবোৰক মনত ৰখাৰ প্ৰয়োজন আছে, তেন্তে তেওঁক প্ৰেম কৰাই হৈছে কেৱল মাত্ৰ এটা পথ।

আজ্ঞাৰ বিষয়ে প্ৰশ্ন এটাৰ উত্তৰ দি যীচুৱে ক'লে, "প্ৰথমতে এই, হে ইস্ৰায়েল শুনা; প্ৰভুৱেই আমাৰ ঈশ্বৰ, প্ৰভু এজন, আৰু তুমি সকলো হৃদয়, সকলো প্ৰাণ, সকলো চিত্ত আৰু সকলো শক্তিৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা" মাৰ্ক ১২ঃ২৯, ৩০। এই বাৰ্তাৰ প্ৰত্যেক পঢ়ুৱৈসকলে লক্ষ্য কৰিব লাগিব যে কিদৰে যীচুৱে নীতি আৰু মূল্য দুয়ো বিষয়ত প্ৰথম বিধানৰ বিষয়ে কৈছে। প্ৰথম অংশটোত তেওঁ কৈছে, তুমি তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰিব লাগিব, এইটো এটা নীতি হ'ব, কিন্তু ইয়াৰ মূল্যটো হৈছে প্ৰেম। তেওঁ কয় যে নীতিটোৰ মূল্যটো হৈছে সকলো (ক) শক্তিৰে, (খ) হৃদয়েৰে, (গ) প্ৰাণ আৰু (ঘ) চিত্তেৰে প্ৰভুক প্ৰেম কৰিব লাগে।

শাৰীৰিক আৰু আত্মিক এই দুয়োৰ আশীৰ্বাদবোৰে স্বাভাৱিকভাৱে পৰৱৰ্তী আজ্ঞাবোৰ পালন কৰায়। জাগতিক বস্তুবোৰৰ প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি যীচুৱে কৈছিল "কিন্তু তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলোও তোমালোকক দিয়া হ'ব" (মথি ৬ঃ৩৩)।

## খ্ৰীষ্টৰ আজ্ঞাৰ সমসাময়িক পৰিপ্ৰেক্ষিত ঃ

যীচুৱে ক'লে, "যোৱা আৰু শুভবাৰ্তা প্ৰচাৰ কৰা" এনে এটা আজ্ঞা সকলো খ্ৰীষ্টিয়ানবিলাকৰ বাবে সাৰ্বজনীন প্ৰয়োগ হয়। সাধু পৌলে কয়, "... মই শুভবাৰ্তা প্ৰচাৰ কৰিলেও, মোলৈ শ্লাঘাৰ কাৰণ নহয়; কিয়নো নিশ্চয়ে কৰিব লগীয়া কৰ্মৰ ভাৰহে মোৰ ওপৰত দিয়া হৈছে; কাৰণ শুভবাৰ্তা প্ৰচাৰ নকৰিলে মোৰ সন্তাপ হ'ব"। কৰিন্থীয়া ৯ঃ১৬।

আজিৰ জগতত শুভবাৰ্তা প্ৰচাৰ কাৰ্য অতীতকৈ অধিক প্ৰাসংগিকতা আছে। য'তে আমি ঘূৰি চাওঁ, মানুহবিলাকক হতাশ, নিৰাশ, প্ৰতাৰণা, আঘাত, পাপৰ বন্ধনত থকা, শান্তি বিহীন, দৰ্শনবিহীন, লক্ষ্যবিহীন জীৱন ইত্যাদিত থকা দেখা যায়। এই জগতখনে শুভবাৰ্তা বিচাৰি আছে।

মোৰ বাল্যকালৰ দিনত ঘটা ঘটনা এটা মোৰ মনত পৰিছে। এদিনাখন মই স্কুলৰ পৰা ঘৰলৈ ঘুৰি অহাৰ সময়ত এটা কাউৰীয়ে কিছুমান আহাৰৰ ওপৰত বহি খাই আছে। কিন্তু অলপ পাছত কাউৰীটোৱে আন আন কাউৰীবিলাকৰ সৈতে ভাগ বটাই খাবলৈ জোৰকৈ কা কা বুলি

## বাতৰি

### খ্ৰীষ্টিয়ান স্কুল জুইত জ্বলাই দিয়া হ'ল

**মণিপুৰ ঃ** যোৱা এপ্ৰিল মাহৰ ২৫ তাৰিখত মণিপুৰৰ কাকচিং জিলাৰ এখন খ্ৰীষ্টিয়ান স্কুল জ্বলাই দিয়া হ'ল, ছয়জন ছাত্ৰক তেওঁলোকৰ বিশৃংখলতাৰ বাবে স্কুলৰ পৰা কৰ্তৃপক্ষই বহিস্কাৰ কৰাৰ কেইদিনমানৰ পাছতেই এনে ঘটনা ঘটিব পালে। চেইণ্ট যোচেফ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৩৫ লাখ টকাৰ সম্পত্তি জ্বলি জাহ গ'ল। অধ্যক্ষ গৰাকীয়ে কয় যে বহিস্কৃত ছাত্ৰসকলে স্থানীয় ষ্টুডেণ্ট বডিৰ লগ লাগি এনে অপৰাধ সংঘটিত কৰিছে। স্কুলখনত ১৪০০ জন ছাত্ৰ আৰু ছাত্ৰী আছে — এ.এন.আই./এইচ.টি.

— ফ'ৰৱাণাৰ (জুন ২০১৯)

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

২০১৯ চনৰ ১৯

২০১৯ চনৰ ১৮

### প্ৰশংসাৰ বিষয়সমূহ ঃ

**ছেপ্টেম্বৰ ১৯** ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ আটাই দলৰ সদস্যসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২০** ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাত সহায় কৰা লোকসকলৰ বাবে প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২১** ঃ প্ৰতি দেওবাৰে পুৱা ৫.৩০ ৰ পৰা সন্ধিয়া ৮.০০ টা লৈকে ৫ টা ভাষাত ৭ টা উপাসনাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২২** ঃ প্ৰতি দেওবাৰে আমাৰ কেন্দ্ৰীয় মণ্ডলীত পুৱা ৫.৩০ ৰ পৰা সন্ধিয়া ৮.০০ টা লৈকে ৫ টা ভাষাত ৭ টা উপাসনাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২৩** ঃ প্ৰতি দেওবাৰে ভেলাচেৰী মণ্ডলীত দুটা ভাষাত চলি থকা উপাসনা আয়োজিত হৈ থকাৰ বাবে আমাৰ ঈশ্বৰক প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২৪** ঃ আমাৰ মুখ্য মণ্ডলী আৰু ইয়াৰ চাৰিওফালে থকা শিশুবিলাকৰ পৰিচৰ্যাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**ছেপ্টেম্বৰ ২৫** ঃ আমাৰ ১৬ টা ভাষাত শুভবাৰ্তাৰ পত্ৰিকা আমাৰ ছপাশালত ছপা কৰি মিশ্বন ক্ষেত্ৰলৈ আশীৰ্বাদ কৰি পঠিওৱাৰ বাবে আমাৰ ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২৬** ঃ কেন্দ্ৰীয় মণ্ডলীত থকা ডিকনবৰ্গৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২৭** ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলীত আশীৰ্বাদপ্ৰাপ্ত পুৰুষ আৰু মহিলাৰ পৰিচৰ্যাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২৮** ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ বাবে অভিজ্ঞ শিক্ষকসকলৰ সৈতে আমাৰ প্ৰভু ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে তেওঁৰ প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ২৯** ঃ আমাৰ সকলো মিশ্বন কৰ্মী আৰু তেওঁলোকৰ উৎসৰ্গিত কৰ্মীসকলৰ নিৰাপত্তাৰ বাবে প্ৰশংসা কৰোহক।

**ছেপ্টেম্বৰ ৩০** ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰী, বিশ্বাসৰ অংশীদাৰী, মহান আজ্ঞাৰ অংশীদাৰী আৰু গ্ৰাহক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে আমি প্ৰভু ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**অক্টোবৰ ১** ঃ যোৱা মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাবিলাকৰ প্ৰত্যেক কাৰ্যকলাপত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে তেওঁৰ প্ৰশংসা কৰোহক।

### কাৰ্যত ঈশ্বৰ !

**অক্টোবৰ ২** ঃ ঈশ্বৰে আমাৰ জেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

**অক্টোবৰ ৩** ঃ আমাৰ মণ্ডলীসমূহৰ পালকসকল আৰু তেওঁলোকৰ সমৰ্পিত বনুৱাসকলৰ আশীৰ্বাদৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

### প্ৰাৰ্থনাৰ বিষয়সমূহ !

**অক্টোবৰ ৪** ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ বাবে ঈশ্বৰৰ সহায়ৰ প্ৰয়োজন হৈছে।

**অক্টোবৰ ৫** ঃ এই মাহত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাৰ বাবে ঈশ্বৰে আৰ্থিক সহায় যোগাব লাগে।

**অক্টোবৰ ৬** ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ আৰু অধিক বিস্তাৰৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৭** ঃ আমাৰ শুভবাৰ্তাৰ ছপাশালৰ কৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৮** ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ৯** ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যালৈ প্ৰাৰ্থনা আৰু সহায় কৰা বন্ধুসকলৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১০** ঃ আমাৰ জেষ্ঠ পালক চাম ছেলভা ৰাজে ভাৰতৰ বিভিন্ন প্ৰান্তত শুভবাৰ্তাৰ সৈতে গৈ পোৱা তেওঁৰ দৰ্শনৰ বাবে অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক।

**অক্টোবৰ ১১** ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলীৰ নতুন বিশ্বাসীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১২** ঃ আমাৰ পৃথিৱীৰ গোটেই দেশবিলাকৰ প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু সাংসদসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৩** ঃ পৃথিৱীৰ সকলো মণ্ডলীবিলাকৰ নতুন বিশ্বাসীসকলৰ আত্মিক আশীৰ্বাদৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৪** ঃ আমাৰ দেশত মহিলাৰ ওপৰত চলা হিংসাৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৫** ঃ উত্তৰ ভাৰতৰ মিশ্বনেৰীসকলৰ নিৰাপত্তা আৰু ঈশ্বৰৰ সহায়ৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৬** ঃ পৃথিৱীৰ সকলো উগ্ৰপন্থীসকলৰ পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৭** ঃ পঞ্জাৱৰ লোক আৰু তাত থকা ঈশ্বৰৰ দাসসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**অক্টোবৰ ১৮** ঃ আমাৰ জেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ দলটিক সকলো মন্দ শক্তিৰ পৰা ঈশ্বৰে একেৰাহে ৰক্ষা কৰিব লাগে।

মাতিবলৈ ধৰিলে। মই তেতিয়া সত্যক আৱিস্কাৰ কৰিলো। কাউৰীটোৱে তাৰ সহ চৰাইবোৰক ইমান প্ৰেম দেখুৱালে। আমি তলত ৰেখা টনা বিষয়টো হৈছে প্ৰেম।

যীচুৱে কৈছে যে প্ৰেম হৈছে এটা প্ৰাথমিক আজ্ঞা; দ্বিতীয়টো আজ্ঞাক তেওঁ কয়, "তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰা। এই দুটাতকৈ প্ৰধান আন আজ্ঞা নাই" মাৰ্ক ১২ঃ৩১। যীচুৱে ক'ব বিচাৰে যে যদি আমি প্ৰকৃততে ঈশ্বৰক সম্পূৰ্ণ প্ৰেম কৰো, তেন্তে স্বাভাৱিকতে আমাৰ প্ৰেম আমাৰ ওচৰ চুবুৰীয়াৰ প্ৰতি জাগি উঠিব। আমাৰ ওচৰ-চুবুৰীয়াক প্ৰেম নকৰাকৈ, আমি ঈশ্বৰক ক'ব নোৱাৰো যে ঈশ্বৰক প্ৰেম কৰো। কিয়নো কপটীয়াবিলাকক যীচুৱে সতৰ্ক কৰি দি কয়, "কিয়নো যি ভাইক তেওঁ দেখিলে, তেওঁক যদি তেওঁ প্ৰেম নকৰে, তেন্তে যি জনাক দেখা নাই, এনে ঈশ্বৰক তেওঁ প্ৰেম কৰিব নোৱাৰে?" আমাৰ হৃদয় আৰু মনটোক ঈশ্বৰৰ প্ৰেমে চলাবলৈ দিয়ক। সেই কাউৰীৰ দৰে আমিও মানুহবিলাকক ঈশ্বৰৰ জ্ঞানৰ বিষয়ে জানিবলৈ আহ্বান কৰিব লাগে।

## সমাধানঃ

জগতৰ ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টই এই আশীৰ্বাদপ্ৰাপ্ত কাৰ্যৰ বাবে আমাক অনুমোদিত কৰিছে। যীচুক জানিবলৈ থকা ৪ শ কোটিতকৈ অধিক লোকৰ বিষয়ে মনত পেলোৱাৰ সময়ত আমাৰ হৃদয় গলি যাওক। কেৱল ভাৰততে ৯৪ কোটি লোক এতিয়াও ঈশ্বৰৰ শুভবাৰ্তা জানিবলৈ আছে। যোৱা আৰু শুভবাৰ্তা প্ৰচাৰ কৰা। আপুনি শুভবাৰ্তা প্ৰচাৰ কৰিব নোৱাৰে নে? ঈশ্বৰে আপোনাৰ বন্ধু, ভনী, ভাই, পিতৃ-মাতৃ, লগত কাম কৰা লোকসকলৰ সৈতে ঈশ্বৰে যি যি কৰিলে তাক সোঁৱৰণ কৰক। তেওঁ আপোনাক কিমানবাৰ সুযোগ দিছিল? কাৰোবাক যীচুৰ বিষয়ে ক'বলৈ ঈশ্বৰৰ আত্মাই আপোনাক প্ৰেৰণা যোগোৱাৰ সময়ত আপুনি কিমান বাৰ নুশুনা ভাও জুৰিছিল?

এতিয়াই আপোনাৰ সময়, যদি আপুনি এই সময়ক হেৰুৱাই দিয়ে, আপুনি এই অনন্তকলীয়া সুখৰ সময়ক হেৰুৱাই দিব।

এবাৰ এজন ব্লেইজ পাচকেল নামৰ জনাজান বৈজ্ঞানিকে এজন প্ৰচাৰকক লগ পাইছিল। পাচকেল যেতিয়া এই জাগতিক পৃথিৱীত শিখৰ শৃংগত আছিল, তেওঁ তেতিয়া প্ৰভুক গ্ৰহণ কৰিছিল। তেতিয়াৰে পৰা তেওঁৰ সহবৈজ্ঞানিক, বন্ধুসকল আৰু সহকৰ্মীসকলক শুভবাৰ্তা প্ৰচাৰ কৰাত দুৰ্দান্ত আবেগ দেখুৱালে। তেওঁ বেছি দিন জীয়াই নাথাকিলে; তেওঁৰ ডেকা কালতেই তেওঁ স্বৰ্গীয় হ'ল। কিন্তু তেওঁ ক'ব পাৰিব, "মই সেই উত্তম যুদ্ধত প্ৰাণপন কৰিলোঁ, নিৰূপিত পথৰ শেষলৈকে দৌৰিলোঁ, বিশ্বাস ৰাখিলোঁ" ২ তীমথিয় ৪ঃ৭।

আমি দীৰ্ঘায়ুৰ জীৱনৰ অনুমান নকৰো। কিন্তু আমি আশা কৰিব পাৰো যে যদি আমি এই জীৱনত প্ৰভু ঈশ্বৰৰ বাবে জীয়াই থাকিম তেন্তে এই অমৰ জীৱনলৈ এদিন জীয়াই থাকিম। ঈশ্বৰৰ আজ্ঞাক পালন কৰিবলৈ প্ৰচেষ্টা কৰোহক। বাইবেলে কয়, "সকলো হৃদয়েৰে ঈশ্বৰৰ আগত আচৰণ কৰোঁতা তেওঁ দসবিলাকক দয়া কৰে আৰু নিয়মটি ৰক্ষা কৰে" ১ ৰাজাৱলি ৮ঃ২৩। ইয়াত আচৰণৰ অৰ্থ হৈছে আজ্ঞাবোৰক পালন কৰা আৰু নিয়মবোৰক ৰক্ষা কৰাক বুজায়। প্ৰাৰ্থনাৰে পৰিচৰ্যাৰ কাৰ্য কৰা।

****


# NEHEMIAH BIBLE COLLEGES

**ECHO OF HIS CALL MINISTRIES** (ESTD.: 1969)

**Affiliated to Hindustan Bible Institute & College (HBI), Chennai**

**&**

**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years!**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**
Course : Diploma in Theology,
Qualification : 10th Standard
Period : One year (with field and administrative trainings)

Golden Opportunity!

Don't miss!!

God is Calling you!!!

**EVENING COLLEGE, Chepauk & Santhoshapuram**
**(Medium : Tamil)**
Course : Diploma in Theology
*Monday, Tuesday & Thursday 6.30 PM to 8.30 PM*
(Evening Classes - Chepauk)
Qualification : 10th Standard
Period : One year (with special Seminars on holidays)

**Pastor S. Sam Selva Raj, Founder-President**

**For more details & application forms please contact :**

NEHEMIAH BIBLE COLLEGES

10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.

**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 95661 31858, 97908 05460**

**E.mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Websites : www.echoofhiscall.org / www.echoofhiscall.com**

# খ্ৰীষ্টিয়ান জীৱন-যাপন কৰিবৰ বাবে গুৰুত্বপূৰ্ণ নিৰ্দেশাৱলী !

যেতিয়া এজন মানুহে ব্যৱসায় কৰিবলৈ ইচ্ছা কৰে, যদি তেওঁ কৃতকাৰ্য হ'বলৈ ইচ্ছা কৰে, তেওঁ ইয়াৰ বাবে যিমান পাৰে জ্ঞান আহৰণ কৰিব লাগিব। বহুতো খ্ৰীষ্টিয়ান লোকবিলাকে কেতিয়াও জীৱনৰ শাসন প্ৰণালীবোৰ শিকিবলৈ চেষ্টা নকৰে। যীচুৱে যেতিয়া এই কথাষাৰ কৈছিল ইয়াক লক্ষ্য কৰিয়েই কৈছিল, "কিয়নো পোহৰৰ সন্তানতকৈ এই যুগৰ সন্তানবিলাক নিজ জাতিলৈ অধিক বুদ্ধিমন্ত" (লুক ১৬ঃ৮)। তেওঁ ইয়াকে বুজাব বিচাৰে যে এই পৃথিৱীৰ মানুহবিলাক ঈশ্বৰৰ সন্তানবিলাকতকৈ সাধাৰণ জ্ঞান আৰু বিবেচনাত অধিক কাৰ্যক্ষম হৈ আছে। অৱশ্যে আগন্তুক পৃথিৱীৰ ক্ষেত্ৰত আটাইতকৈ দৰিদ্ৰ খ্ৰীষ্টিয়ানবিলাকে এই পৃথিৱীৰ বিচক্ষণ লোকবিলাকতকৈ অনিশ্চিতভাৱে জ্ঞানী।

যীচুৱে দেখুৱাই দি কয় যে এজন মানুহে স্তম্ভ এটা নিৰ্মাণ কৰাৰ আগেয়ে তেওঁ ইয়াত কিমান টকা খৰচ হ'ব আৰু ইয়াৰ বাবে তেওঁৰ হাতত প্ৰয়োজনীয় টকা আছেনে নাই তাক হিচাপ কৰি চাই ল'ব। খ্ৰীষ্টিয়ানবিলাকে তেওঁলোকৰ সকলো কাৰ্যকলাপক এজন ভাল ব্যৱসায়ীৰ দৰে ব্যৱহাৰ কৰা উচিত।

"কিয়নো গড়-কাৰেং বান্ধিবলৈ মন কৰিলে, প্ৰথমতে যদি তাৰ কিমান খৰছ আৰু তাক উঠাবলৈ সমৰ্থ আছে নে নাই, ইয়াক গণনা নকৰাকৈ তোমালোকৰ মাজত কোন আছে? তেওঁ যদি ভেটি তুলি এটাব নোৱাৰে, তেন্তে, কিজানি চোৱা মানুহবিলাকে তেওঁক বিদ্ৰুপ কৰিবলৈ ধৰি ক'ব, এই মানুহে সাজিবলৈ আৰম্ভ কৰি পাছে এটাব নোৱাৰিলে" (লুক ১৪ঃ২৮-৩০)।

## এটা নিয়মীয়া প্ৰাৰ্থনাৰ জীৱন আৰম্ভ কৰক

যদি এজন ব্যক্তিয়ে কৃতকাৰ্য খ্ৰীষ্টিয়ান হ'ব বিচাৰে তেন্তে তেওঁক ঈশ্বৰে যি উদ্দেশ্যৰ বাবে যিকোনো বস্তু যোগাইছে তেওঁ তাৰ উচিত ব্যৱহাৰ কৰিব লাগে। উদাহৰণস্বৰূপে তেওঁ কৰিব লগীয়া প্ৰথম কাৰ্য হৈছে তেওঁ এটি নিয়মীয়া প্ৰাৰ্থনাৰ জীৱন আৰম্ভ কৰিব লাগে। ইয়াক বৰ জোৰকৈ হেঁচা দিব নোৱাৰে। ই এক আচৰিত বিষয় যে যদি কোনোবা পুৰুষ বা মহিলাই জীৱনকালত যিকোনো কাৰ্যত কৃতকাৰ্য হৈছে সেইসকল লোক হৈছে নিয়মীয়াকৈ প্ৰাৰ্থনা কৰা লোক। ঈশ্বৰৰ পৰা কিবা বস্তু পোৱাই হৈছে প্ৰাৰ্থনাৰ উদ্দেশ্য। যীচুৱে দিয়া ইয়াৰ প্ৰতিজ্ঞাৰ উদাহৰণ এইদৰে দিয়া আছে "খোজা তেহে তোমালোকক দিয়া হ'ব, বিচাৰা তেহে পাবা, টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হ'ব' (মথি ৭ঃ৭)।

মাৰ্ক ১১ঃ২২-২৪ পদত যীচুৱে বিশ্বাসৰ শক্তিৰ বিষয়ে কি কৈছে তাক লক্ষ্য কৰক।

"তাতে যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে, তোমালোকে ঈশ্বৰত বিশ্বাস ৰাখা; মই তোমালোকক স্বৰূপকৈ কওঁ, যিকোনোৱে এই পৰ্বতটোক কয়, ইয়াৰ পৰা উঠি সাগৰত পৰগৈ আৰু মনত সংশয় নকৰি যি কয় সেয়ে ঘটিব বুলি যদি বিশ্বাস কৰে তেন্তে সেয়ে তেওঁলৈ সিদ্ধ হ'ব। এই হেতুকে মই তোমালোকক কওঁ, তোমালোকে প্ৰাৰ্থনা কৰি যি যি খোজা, সেই সকলোকে পালো বুলি বিশ্বাস কৰা, তেন্তে পাবা।"

আপোনালৈ মোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপদেশ এয়ে যে প্ৰাৰ্থনাক দৈনিক অভ্যাস কৰি লওক। প্ৰত্যেক দিনাই ঈশ্বৰৰ আগত আপোনাৰ জীৱনৰ বিশেষ বিষয়সমূহ আনিব লাগে, যেনে ঃ আপোনাৰ দৈনন্দিন কাৰ্যকলাপ, আৰ্থিক বিষয়, সমস্যাবোৰ, পৰিয়ালবৰ্গ, কৰ্মস্থলী, আপোনাৰ আশাবোৰ আৰু আপোনাৰ পেছা। ইয়াক যদি আপুনি প্ৰতিদিনে বিশ্বাস কৰি কৰে আপুনি দেখিব ঈশ্বৰলৈ আপোনাৰ জীৱন মুকলি হৈ গৈছে। মনত ৰাখিব ঃ প্ৰত্যেক জীৱনৰ বাবে ঈশ্বৰৰ হাতত এক বিশেষ প্ৰতিলিপি আছে। এই জীৱনৰ বাবে ই এক উত্তম সম্ভৱপৰ পৰিকল্পনা। পৰিচৰ্যাৰ বাবে এক মিশ্বনেৰী হিচাবে, বা মণ্ডলীত এজন প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মী হিচাবে আপুনি আমন্ত্ৰিত হ'ব পাৰে। বা আপুনি এজন ব্যৱসায়ী বা গৃহিনী হিচাবেও আমন্ত্ৰিত হ'ব পাৰে। ঈশ্বৰৰ হাতত আপোনাৰ বাবে শুদ্ধ পৰিকল্পনা আছে কিন্তু আপুনি তাত প্ৰাৰ্থনাৰ দ্বাৰাই তাত প্ৰৱেশ কৰিব লাগে। হায়, হায়, বহুত খ্ৰীষ্টিয়ানে স্পষ্টভাৱে ঈশ্বৰৰ উত্তম বস্তুক হেৰুৱাই দিয়ে। প্ৰায় সময়ত বৈবাহিক জীৱনত ই সত্য হয়। যদি এজন ব্যক্তিয়ে নিৰন্তৰে প্ৰাৰ্থনা নকৰে তেওঁ এজন ভুল সংগীক বিবাহ কৰিব পাৰে আৰু ইয়াৰ পৰিণামস্বৰূপে তেওঁৰ গোটেই জীৱন বেয়াকৈ ধ্বংস হয়। এগৰাকী জীৱন সংগী বাছি লোৱাত এক সুযোগ আছে। প্ৰথম শতিকাৰ মণ্ডলীত যিদৰে প্ৰাৰ্থনা কৰিছিল সেইদৰে আজিও এটি নিয়মীয়া প্ৰাৰ্থনাৰ সময় স্থাপন কৰক (পাঁচনিৰ কৰ্ম ৩ঃ১)। এইদৰে আপুনি বহুত ভুলৰ পৰা নিজকে ৰক্ষা কৰিব পাৰিব। তাৰোপৰি, যিকোনো খ্ৰীষ্টিয়ানে কৰিব পৰা এটা ডাঙৰ গুৰুত্বপূৰ্ণ কাৰ্যটো হৈছে আনৰ বাবে তেওঁবিলাকৰ সমস্যাৰ বাবে আৰু প্ৰয়োজন বস্তুৰ বাবে প্ৰাৰ্থনা কৰক। এইটোৱেই হৈছে মধ্যস্থকাৰী হোৱাৰ পৰিচৰ্যা। মধ্যস্থকাৰী হোৱাৰ আহ্বানতকৈ আৰু ডাঙৰ আহ্বান হ'ব নোৱাৰে। আৰু এই আহ্বান সকলোৰে বাবে মুকলি কৰি দিয়া হৈছে। এইটো আপোনাৰ বাবেও মুকলি আছেঙ্গ যদি আপুনি মধ্যস্থকাৰী প্ৰাৰ্থনাৰ শক্তিৰ বিষয়ে জানিব বিচাৰে, তাৰ উত্তৰ যিহিষ্কেল ২২ঃ৩০-৩১।

"আৰু মই দেশ নষ্ট নকৰিবৰ নিমিত্তে, চাৰিওফালে গড় নিৰ্মাণ কৰিব পৰা আৰু দেশৰ অৰ্থে মোৰ আগত গড়ৰ ভঙা বাটত থিয় হ'ব পৰা এনে এজন মানুহ তেওঁলোকৰ মাজত বিচাৰিলো, কিন্তু মই কাকো নাপালো। এই হেতুকে মই তেওঁবিলাকৰ ওপৰত মোৰ ক্ৰোধ বৰষাম, মোৰ ক্ৰোধাগ্নিৰে তেওঁবিলাকক সংহাৰ কৰিম, প্ৰভু যিহোৱাই কৈছে, মই তেওঁবিলাকৰ নিজৰ নিজৰ আচাৰ-ব্যৱহাৰৰ ফল তেওঁবিলাকৰ মূৰত ফলিওৱাম।"

আন বাক্যত ক'বলৈ গ'লে ঈশ্বৰে কৈছে যে তেওঁ প্ৰাৰ্থনা কৰা এনে এজন মানুহ বিচাৰিছিলে যাতে সেই মানুহবিলাক ঘূৰি আহে। কিন্তু তেওঁ প্ৰাৰ্থনা কৰা এজনকো নেদেখিলে। গতিকে তেওঁ তেওঁবিলাকৰ কুকৰ্মৰ বাবে তেওঁবিলাকৰ ভূমিক নষ্ট কৰি দিলে।

## দৈনিক বাইবেল অধ্যয়ন কৰক

বাইবেলক শুদ্ধকৈ বুজিবলৈ হ'লে

আপুনি এনেদৰে বাইবেলক অধ্যয়ন কৰক যে পৱিত্ৰ আত্মাৰ যোগেদি ঈশ্বৰে আপোনাক কৈ আছে। এতিয়া আপুনি পুস্তকখনৰ লেখকজনক জানিব। তেওঁ আপোনাৰ স্বৰ্গীয় পিতৃ আৰু সেই পৃষ্ঠাবিলাকৰ পৰা আপুনি উৎসাহ আৰু নিৰ্দেশনাবোৰ পাব।

এয়া সত্য যে বাইবেলৰ কিছুমান পুস্তক ইয়াৰ আন পুস্তকবিলাকতকৈ বুজাত কঠিন হয়, বাইবেলখনক দুটা ভাগত ভাগ কৰা হৈছে — এখন হৈছে নতুন নিয়ম আৰু আনখন হৈছে পুৰণি নিয়ম। পুৰণি নিয়মখন যীচু খ্ৰীষ্ট এই পৃথিৱীৰ জন্ম হোৱা পূৰ্বেই লিখা পুস্তক। ইয়াত ঈশ্বৰে মানুহৰ লগত যোগাযোগ বছৰে বছৰে কিদৰে কৰিছে তাকে দেখুৱাই আৰু কেইবাখনো পুস্তকত আহিব লগা মচীহাজন অৰ্থাৎ ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্টৰ জন্ম আৰু মৃত্যুৰ বিষয়ে আগেয়ে লিখা হৈছিল।

নতুন নিয়মখনত খ্ৰীষ্ট পৃথিৱীত থকা কাল, মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে লিখা আছে। নতুন নিয়মৰ প্ৰথম ৪ টা পুস্তক (মথি, মাৰ্ক, লূক আৰু যোহন) শুভবাৰ্তা পুস্তক বুলি কোৱা হয় আৰু খ্ৰীষ্টৰ ইতিহাস আৰু পৃথিৱীত তেওঁৰ পৰিচৰ্যাৰ বিষয়ে কয়। প্ৰত্যেক খ্ৰীষ্টিয়ানে এই পুস্তকবিলাকৰ সৈতে আৰম্ভ কৰিব লাগে। তাৰ পাছৰ পুস্তকখনৰ নাম পাঁচনিৰ কৰ্ম, ইয়াত কয় কিদৰে খ্ৰীষ্ট স্বৰ্গাৰোহন হোৱাৰ পাছত শিষ্যবিলাকে বা বিশ্বাসীবিলাকে তেওঁৰ কাৰ্য চলাই গ'ল আৰু মণ্ডলীৰ আৰম্ভণী গঠন কৰিলে। পাঁচনি কৰ্মই আজিৰ খ্ৰীষ্টিয়ান মণ্ডলীবিলাকৰ প্ৰতিলিপি হয়। নতুন নিয়মক সোঁৱৰাই দিয়া বেছিভাগ পুস্তক সমূহ পাঁচনি পৌলে পৱিত্ৰ আত্মাৰ দ্বাৰাই নগৰে-চহৰে আৰু দেশসমূহত থকা মণ্ডলীবিলাকলৈ লিখিছে, তেওঁৰ নিৰ্দেশনাসমূহ আগৰ দৰে আজিও একে সমানে মূল্যৱান হৈ আছে, কিয়নো সেইবোৰ প্ৰথম শতিকাৰ মণ্ডলীৰ খ্ৰীষ্টিয়ানসকললৈ লিখা হৈছিল।

নতুন নিয়মখনক পোনেই অধ্যায়ে অধ্যায়ে অধ্যয়ন কৰক, কোনোটোৱেই বাদ নিদিব। আপোনাৰ খ্ৰীষ্টিয়ান জীৱনৰ বাবে নতুন নিয়মখন এক পথ প্ৰদৰ্শক হয়।

আপুনি নতুন নিয়ম অধ্যয়ন কৰাৰ পাছত পুৰণি নিয়ম অধ্যয়ন কৰিব পাৰে। ইয়াত আপুনি ঈশ্বৰক সেৱা কৰা আৰু নকৰা পুৰুষ আৰু মহিলা আৰু ঈশ্বৰে কিদৰে তেওঁলোকৰ সৈতে ব্যৱস্থা কৰে আৰু সেই সকলো পাব। শাস্ত্ৰৰ বিষয়ে জ্ঞান দিবলৈ ঈশ্বৰক কওক যাতে আপুনি পুৰণি নিয়মত থকা বিশেষ শিক্ষাবিলাকক বুজি পাব। যিকি নহওক, নতুন নিয়মখন বিশেষকৈ আমাৰ বাবে মণ্ডলীৰ প্ৰকৃত বিশ্বাসীসকললৈ লিখা হৈছে যাতে আপুনি ইয়াত ডাঙৰ সহায় পাব। এজন খ্ৰীষ্টিয়ানৰ বাবে প্ৰতিদিনে অন্তত তিনি অধ্যায় পঢ়াটো ভাল হ'ব। এই শাস্ত্ৰপাঠক বুজাবৰ বাবে অধ্যয়ন দলক বিচাৰিবলৈ পালকক কওক, এনে কৰিলে সকলোৰে বাবে ভাল অভিজ্ঞতা হ'ব। যি কি নহওক যদি আপুনি এতিয়াও ঈশ্বৰৰ ইচ্ছাক জানিবলৈ অসুবিধা পাইছে, পৱিত্ৰ আত্মাক চলাবলৈ কওক।

## ঈশ্বৰলৈ দিয়াত বিশ্বাসী হওক

বাইবেলত যাকোবৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ বিষয়ে লিখা আছে। অৱশেষত ঈশ্বৰ যেতিয়ালৈকে তেওঁৰ জীৱনত নাহিল তেওঁৰ জীৱন অতি শোচনীয় হৈ গৈছিল। এবাৰ তেওঁ ককায়েকক প্ৰতাৰণা কৰি নিজ এনে এক পৰিস্থিতিত পৰিলে যে তেওঁ নিজেই ঘৰ এৰি পলাবলগীয়া হ'ল। কিন্তু সেই নিশাই ঈশ্বৰে তেওঁক স্বৰ্গীয় দৰ্শন দিলে। সেই দৰ্শনেই তেওঁৰ জীৱন পৰিৱৰ্তন কৰি দিলে আৰু তেওঁ সেই ঠাইতেই ঈশ্বৰক দশমভাগ দিবলৈ প্ৰতিজ্ঞা কৰিলে (তেওঁৰ সকলো উপাৰ্জনৰ দহ শতাংশ)।

“পাছে যাকোবে সংকল্প কৰি এই প্ৰতিজ্ঞা কৰিলে, বোলে, যদি ঈশ্বৰ মোৰ সংগী হয়, মই যাবলগীয়া এই বাটত মোক ৰক্ষা কৰে আৰু খাবলৈ আহাৰ, পিন্ধিবলৈকো বস্ত্ৰ দিয়ে আৰু তাতেই যদি মই পিতৃৰ ঘৰলৈ পুনৰায় শান্তিৰে আহিবলৈ পাওঁ, তেন্তে যিহোৱাই মোৰ ঈশ্বৰ হ'ব আৰু মই স্তম্ভস্বৰূপে স্থাপন কৰা এই শিল ঈশ্বৰৰ গৃহ হ'ব; আৰু তুমি মোক যি যি দিবা মই তাৰ দহ ভাগৰ এভাগ নিশ্চয়ে তোমাকে দিম।”

এয়া দুখ লগাকৈ সঁচা কথা যে কিছুমান ভাওজোৰা খ্ৰীষ্টিয়ান ইমানেই লুভীয়া যে তেওঁবিলাকে দশমভাগ নিদিয়ে। তেওঁবিলাকক ঈশ্বৰে চুৰ আৰু ডকাইত বুলি কৈছে। তেওঁবিলাকে মানুহলৈ ডকাইত কৰা নাই ঈশ্বৰলৈহে কৰিছে।

“মানুহে ঈশ্বৰক ঠগাব নে? তথাপি তোমালোকে মোক ঠগাইছা। কিন্তু তোমালোকে কৈছা, আমি কিহত তোমাক ঠগালো? দশম ভাগত আৰু উপহাৰত। তোমালোক অতিশয় অভিশপ্ত; কিয়নো তোমালোকে মোকেই ঠগাইছা, এনে কি গোটেই জাতিয়েই ঠগাইছে। মোৰ গৃহত আহাৰ হ'বৰ নিমিত্তে তোমালোকে ভৰাললৈ গোটেই দশমভাগ আনা, বাহিনীবিলাকৰ যিহোৱাই কৈছে মই তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিম নে নকৰিম আৰু ঠায়ে নধৰাকৈ তোমালোকলৈ আশীৰ্বাদ বৰ্ষাম নে নবৰ্ষাম, তাক জানিবলৈ তোমালোকে ইয়াৰেই পৰীক্ষা কৰি চোৱা” (মলাখী ৩ঃ৮-১০)। আন বাক্যত ক'বলৈ গ'লে যিবিলাকে তেওঁক বিশ্বাসেৰে দিয়ে বা সেৱা কৰে তেওঁবিলাকলৈ ঈশ্বৰে এক বিশেষ আশীৰ্বাদ বাকী দিবলৈ প্ৰতিজ্ঞা কৰিছে। দশমভাগ মানেই হৈছে আমি যি দৰমহা বা বস্তু উপাৰ্জন কৰো তাৰেই দহ ভাগৰ একভাগ ঈশ্বৰলৈ দিয়াক দশমভাগ বোলা হয়। আমাৰ যি যি আছে সেই সকলো ঈশ্বৰৰ পৰা পাইছো। গতিকে তেওঁ তেওঁৰ পৰিচৰ্যাৰ বাবে অন্তত দহ ভাগৰ এভাগ বিচাৰে।

ঈশ্বৰৰ পৰিচৰ্যালৈ সহায় প্ৰথমেই আহিব লাগে। প্ৰত্যেক সময়তেই যেতিয়া আপুনি ধন বা বস্তু আপোনাৰ পৰিশ্ৰম বা ব্যৱসায়ৰ পৰা পাই তাৰেই পৰা আপুনি দহ ভাগৰ এভাগ আপুনি ঈশ্বৰলৈ দিব লাগে। বিশ্ব মিশ্যনৰ ফালে খ্ৰীষ্টিয়ানবিলাকৰ দায়িত্বক উপেক্ষা নকৰিব। খ্ৰীষ্টক নজনা লোকসকলৰ বাবেআমি সকলোৱেই ধৰুৱা হৈ আছো। খ্ৰীষ্টই কৈছে, “তোমালোকে পৃথিৱীৰ চুকে কোনে যোৱা আৰু মুকলিকৈ খ্ৰীষ্টৰ শুভবাৰ্তা প্ৰচাৰ কৰা...”। বোধকৰো ঈশ্বৰে আপোনাক তেওঁৰ পৰিচৰ্যা কাৰ্য কৰিবৰ বাবে আহবান কৰিব পাৰে। যদি নহয়, তেন্তে আপুনি এই শুভবাৰ্তা কঢ়িয়াই লৈ যোৱা লোকজনক সহায় কৰিববলৈ দায়িত্ব লওক।

ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

****



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

**"... ঈশ্বৰে ... যোগাব" (আদিপুস্তক ২২ঃ৮)**
**"... যিহোৱাই যোগাব" (আদিপুস্তক ২২ঃ১৪)**

চেন্নাই মাদ্ৰাছ চহৰত কেন্দ্ৰ মণ্ডলী প্ৰথম স্থাপন কৰা দিনৰে পৰা মই বহুত সমস্যাৰ সন্মুখীন হৈছিলো। ঈশ্বৰৰ শক্তিক আৰু তেওঁৰ দাসসকলৰ শক্তিক নজনা লোকসকলৰ পৰা বহুত সমস্যা আৰু কষ্টৰ সন্মুখীন হৈছিলো। ইয়াত কেৱল মই আৰু মোৰ পৰিয়ালবৰ্গ খ্ৰীষ্টিয়ান হোৱা হেতুকে স্থানীয় লোকসকলৰ পৰা উপদ্ৰৱ আৰু অশান্তি পাই আছিলো। আমি আনকি আনবিলাকৰ দৰে গৃহৰ সন্মুখত গাড়ী ৰাখিবও নোৱাৰিছিলো।

আমাৰ ঘৰটোৰ কাষতে লাগি থকা পুৰণি ঘৰটোৰ ভিতৰে আৰু বাহিৰে একেবাৰে ক্ষতি হৈ আছিল। পানীৰ পাইপ আৰু বেৰৰ ভিতৰত থকা নলাৰ পাইপ ভাঙি গৈছিল। ইয়াৰ বাবে ঘৰৰ বেৰ আৰু চিলিঙৰ যথেষ্ট ক্ষতি হৈছিল।

এবাৰ সেই ঘৰৰ মালিকজনে লগত কিছুমান বেয়া মানুহ আনি মিছা অভিযোগ তুলি মোক ক'লে যে আমাৰ গৃহৰ পৰা পানী গৈ তেওঁৰ ঘৰটোৰ বহু ঠাই ফাট মেলিছে। গতিকে সেই ঘৰটো বনাব লাগিব আৰু ৰং দিব লাগিব বুলি বহুত মানুহ আহি চিঞৰ-বাখৰ কৰি বলপূৰ্বক ভাৱে মোৰ পৰা ধন বিচাৰিছিল। কিন্তু মোৰ হাতত ইমান ধন নাছিল। কিছুমান মানুহে আহি ক'লে যে ইমান দাবী কৰাটো ঠিক হোৱা নাই। কিন্তু আমাৰ মুখৰ কথা শুনিবলৈ তেওঁলোকে চেষ্টা কৰা নাছিল আৰু দেওবাৰে গীৰ্জাৰ সময়ত আহি সমস্যাৰ সৃষ্টি কৰিম বুলি কৈছিল। যি হ'লেও আমাৰ মণ্ডলীৰ সদস্যসকলে তেওঁবিলাকৰ দাবীক গ্ৰহণ নকৰিলে।

মই মোৰ প্ৰাৰ্থনাৰ কোঠালীলৈ গ'লো। আঁঠু লৈ ঈশ্বৰক ক'লো যে হে ঈশ্বৰ তোমাৰ গৃহলৈ মানুহবিলাক আহি অনিষ্ট কৰিব বিচাৰিছে। গতিকে ন্যায় কৰিবলৈ তোমাৰ দূতগণক পঠিয়াই দিয়া।

যেতিয়া মই প্ৰাৰ্থনা কৰি আছিলো ঈশ্বৰে মোৰ জীৱনত হস্তক্ষেপ কৰিলে। মোৰ পৰিচৰ্যাৰ প্ৰথম অৱস্থাত পালক জি. সুন্দাৰামে দিয়া শিক্ষাক সোঁৱৰাই দিলে, "আনবিলাকে কৰিব পাৰে... কিন্তু আমি কৰা উচিত নহয় ...।" ঈশ্বৰে মোৰ চুবুৰীয়াৰ দাবীক পূৰ্ণ কৰিবলৈ দায়িত্ব দিলে। আৰু ঈশ্বৰে লগতে মোক ক'লে যে যদি মই তেওঁৰ কথা শুনি সেইদৰে পালন কৰিম এদিন তেওঁ মোক সেই মানুহজনৰ গৃহটোক কিনি লোৱাত মোক সহায় কৰিব। মই ঈশ্বৰৰ বাধ্য হৈ সেই গৃহটো সম্পূৰ্ণকৈ মেৰামতি কৰি চুবুৰীয়াজনক সন্তোষ্ট কৰিলো। সেয়া মোৰ বাবে এক ডাঙৰ আৰ্থিক বোজা আছিল। মই বহুত নিৰাশ হৈছিলো। কিন্তু ঈশ্বৰে মোক বুজিবলৈ সহায় কৰি ক'লে যে নিশ্চয়ে ঈশ্বৰে যোগাব।

ছমাহ পাৰ হোৱাৰ পাছত, মই সেই গৃহটো আৰু মই যি যি বস্তু দিছিলো সেই সকলো সম্পত্তি কিনি লোৱাত ঈশ্বৰে মোক সহায় কৰিলে। আমাৰ ঘৰৰ লগত লাগি থকা সম্পত্তি কিনাৰ লগে লগে সেই ঘৰ আমাৰ ঘৰৰ লগত একলগ কৰি এটা দুগুণ আকাৰৰ গৃহ নিৰ্মাণ কৰাত ঈশ্বৰে মোক সহায় কৰিলে।

আমাৰ ঈশ্বৰ যে এক আচৰিত ঈশ্বৰ ...ঈঙ্গ আমি বহুত আশীৰ্বাদপ্ৰাপ্ত লোক হওঁ।

****


**ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম**

## ১। বিল্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱনঙ্গ** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম ঃ পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয় ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪২ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College, Echo of His Call**
10, Mohammed Abdullah 2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
Ph. : (044) 2852 8282, 2852 9293, 2854 7766 Cell : (+91) 95661 31858
97908 05460. E-mail : biblecor@yahoo.co.in

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

**বাৰ্ষিক বৰঙণি ১০০/- টকা**

**জীৱিতৱস্থাত বৰঙণি ২০০০/- টকা**

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ বহুবিধীয়া কাৰ্যসমূহক আপোনাৰ দৰে ঈশ্বৰৰ সন্তানসকলে দিয়া দান আৰু বৰঙণি দ্বাৰাই চলোৱা হয়। যদি ঈশ্বৰে আপোনাক চলাই, আপুনিও তেওঁৰ আহবানৰ প্ৰতিধ্বনিলৈ আৰ্থিক সহায় পঠাব পাৰে। প্ৰভুৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা পঠাবলৈ আমাক আৰ্থিক সহায়ৰ প্ৰয়োজন আছে।

যদি আপুনি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনীখন পাবলৈ ইচ্ছা কৰে, তেন্তে আমালৈ পত্ৰ লিখক। যদি আপুনি আপোনাৰ ডাকঘৰৰ ঠিকনা বা ই-মেইল সলনি কৰিবলগীয়া হয়, অনুগ্ৰহ কৰি আমাক জনাওক।

আমাৰ ৱেবচাইটত ১৬ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পোৱা যাব। চাইটত চাই বা ডাউনলোড কৰি আপুনি পঢ়িব পাৰে আৰু আশীৰ্বাদো পাওক।

আপোনাৰ পত্ৰ, প্ৰাৰ্থনা অনুৰোধসমূহ আৰু আপোনাৰ আৰ্থিক সহায় (ডি.ডি. চেকৰ দ্বাৰা বা এম.অ' ইত্যাদি) তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বাবে তলত দিয়া ঠিকনালৈ পঠাওক।

অনুগ্ৰহ কৰি আপোনাৰ লেণ্ড ফোন/চেল ফোন নং আৰু ই-মেইল ঠিকনা পঠাওক।

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET,
CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 95661 31858 / 97908 05460
E-mails : sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites : www. echoofhiscall.org / www.echoofhiscall.com

**আপুনি আপোনাৰ বৰঙণিসমূহ অনলাইনৰ যোগেদিও পঠিয়াব পাৰে**

## অনুগ্ৰহ কৰি আমাৰ মূখ্য কাৰ্য্যালয়ৰ পৰিচৰ্য্যাবিলাকৰ বাবে প্ৰাৰ্থনা কৰক

১। প্ৰাৰ্থনা সেৱা ঃ ২৪ ঘণ্টা
২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ ঃ ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহবানৰ প্ৰতিধ্বনি** আলোচনী ঃ ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম ঃ ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্য্যসূচী।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্য্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল ঃ পুৱা ৮.৩০, বিয়লি ৪.০০ দেওবাৰ
১৩। তামিল উপাসনা ঃ পুৱা ৫.৩০,৭.০০ আৰু ১০.০০ দেওবাৰ
১৪। মালায়ালম প্ৰাৰ্থনা সভা ঃ আবেলি ২.০০ দেওবাৰ
১৫। তেলেগু উপাসনা ঃ আবেলি ৪.০০ দেওবাৰ
১৬। হিন্দী উপাসনা ঃ আবেলি ৫.০০ দেওবাৰ
১৭। ইংৰাজী আৰু তামিল সেৱা ঃ সন্ধ্যা ৬.০০ বজাত দেওবাৰ
১৮। পালকসকলৰ পৰামৰ্শ ঃ আবেলি ৪.০০ বজাত দেওবাৰ
১৯। মহিলাসকলৰ প্ৰাৰ্থনা সভা ঃ সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২০। মধ্য সপ্তাহৰ বাইবেল অধ্যয়ন ঃ সন্ধ্যা ৬.৩০ বজাত বুধবাৰ
২১। পুৰুষসকলৰ বিশেষ উপাসনা ঃ গধূলি ৭.০০ বজাত শুক্ৰবাৰ
২২। কৰ্ম্মকৰ্ত্তা সকলৰ সভা ঃ সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৩। গৃহ সভা ঃ সন্ধ্যা ৬.৩০ বজাত সোমবাৰ আৰু মঙ্গলবাৰ
২৪। বিশেষ প্ৰভু ভোজ ঃ পুৱা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৫। পালকসকলৰ নিৰীক্ষণ সভা ঃ সন্ধ্যা ৫.৩০ প্ৰত্যেক মাহৰ প্ৰথম শনিবাৰ
২৬। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা ঃ আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
২৭। নিশাৰ প্ৰাৰ্থনা ঃ গধুলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
২৮। উপবাস প্ৰাৰ্থনা ঃ পুৱা ৯.৩০ প্ৰথম শনিবাৰ
২৯। প্ৰভু ভোজ ঃ দ্বিতীয় দেওবাৰৰ উপাসনাত
৩০। পুৱাৰ উপাসনা ঃ পুৱা ৫.৩০ বজাত দৈনিক
৩১। কৰ্মচাৰী সকলৰ উপাসনা ঃ পুৱা ৯.০০ টা দৈনিক
৩২। কাৰ্য্যালয় ঃ পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

RNI NO. TNASS/2000/2335
Postal Regn. No. TN/CH/(C)/204/18-20
WPP NO. TN/PMG(CCR) / WPP- 262/18-20
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th SEPTEMBER 2020
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957,
Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**